জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

বিংশতিতম বছৰ, সংখ্যা ৬০ ● শুকুবাৰ ● ২০ কাতি ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Friday November 7, 2025 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱৰপৰ



...াপতিত্রয় ...ৰু দিগন্ত ...দ্বোধনেৰে ...য়। অনুৰাগ ...শ্ৰেষ্ঠ গ্ৰাম্য ...ান্তঃৰাষ্ট্ৰীয় ...ফা গগৈ, ...গ ক্ৰীড়াত ...ৰে সম্বৰ্ধনা ...াম-প্ৰসংগ ...ৰেৰহণীয়া ...কৰ্মী প্ৰফুল্ল ... সন্মিলনৰ ...। নাট্যকাৰ, ...ত ধৰা এই

অনুষ্ঠানতবহু কেইগৰাকী প্ৰতিভাৱান যুৱ শিল্পীয়ে জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰে। সন্ধিয়ালৈ সম্বৰ্ধনা আৰু দিখৌপৰীয়া সমন্বয় বঁটা প্ৰদান অনুষ্ঠানত বিকাশ কেন্দ্ৰৰ তৰফৰ পৰা প্ৰৱৰ্তন কৰা 'দিখৌপৰীয়া সমন্বয় বঁটা' প্ৰথমবাৰৰ বাবে অৰ্জুন ভোগেশ্বৰ বৰুৱাক প্ৰদান কৰা হয়। সম্পাদক ৰিতুৰাজ সন্দিকৈ, ধ্ৰুৱজ্যোতি বৰঠাকুৰ আৰু জিপম বৰাই আঁত ধৰা এই অনুষ্ঠানতে ৰিপুনজিৎ কেওটৰ সম্পাদনাত প্ৰকাশ পোৱা স্মৃতিগ্ৰন্থ 'কামজয়' উন্মোচন কৰে সমাজকৰ্মী প্ৰবীণ বৰগোহাঞিয়ে। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট আতিথিৰূপে অংশগ্ৰহণ কৰি সমাজকৰ্মী অচ্যুত চুতীয়া আৰু পুলিন গায়নে ৰাসৰ তাৎপৰ্য বৰ্ণনা কৰে। অনুষ্ঠানৰ আজি দ্বিতীয় দিনৰ কাৰ্যসূচীত পুৱা ভকত-বৈষ্ণৱবৃন্দৰ দ্বাৰা নাম-প্ৰসংগ, সন্ধিয়ালৈ সম্বৰ্ধনা অনুষ্ঠান, মহাৰাস আৰু কংসবধ ভাওনা প্ৰদৰ্শন কৰা হয়।

# ৰাস হ'ল আনন্দ, সুৰ, সৌন্দৰ্য আৰু প্ৰেমৰ সৰ্বোচ্চ অনুভূতি ঃ অধ্যক্ষ ড° শইকীয়া

ডিব্ৰুগড ঃ ষ্টাফ ৰিপৰ্টাৰ, ৬ নৱেম্বৰ ঃ 'ৰাসলীলা মানে অনুভৱৰ আনন্দ, সৃষ্টিশীলতাৰ সৌন্দৰ্য আৰু প্ৰেমৰ বহিৰ্প্ৰকাশ। ৰাসলীলাই জীৱনক সজীৱ, মধুৰ আৰু সম্পূৰ্ণ কৰে।' ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এইদৰে কয়। ডিব্ৰুগড়ৰ চৌকিডিঙী খেলপথাৰত ডিব্ৰুগড়ৰ সত্ৰীয়া কলা-কৃষ্টি কেন্দ্ৰৰ উদ্যোগত দুদিনীয়াকৈ আয়োজিত শ্ৰীকৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলাৰ ৫ নৱেম্বৰৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অধ্যক্ষগৰাকীয়ে কয়— 'যিয়ে জীৱনত ৰাসলীলাৰ মাহাত্ম্য অনুভৱ নকৰে, তেওঁৰ জীৱন শুকান গছৰ দৰে হৈ পৰে। তেওঁ আধ্যাত্মিকতাই মানুহৰ আত্মাক শুদ্ধ কৰে বুলি উল্লেখ কৰি কয় যে ৰাসলীলাই মানুহৰ আত্মাক আনন্দৰে ভৰাই তোলে আৰু সঠিক পথৰ সন্ধান দিয়ে। আধ্যাত্মিকতাই মানুহৰ অন্তৰাত্মা শুদ্ধ কৰে আৰু ৰাসলীলাই মানুহৰ জীৱন মধুৰ কৰে' বুলি সদৰী কৰি কয় — 'ৰাস হ'ল আনন্দ, সুৰ, সৌন্দৰ্য আৰু সৰগীয় প্ৰেমৰ সৰ্বোচ্চ অনুভূতি। উদ্বোধনী অনুষ্ঠানটোত ৰাসলীলা উদযাপন সমিতিৰ সভাপতি তথা বিশিষ্ট চিকিৎসক ড° জয়ন্তমাধৱ চলিহা, সত্ৰীয়া কলা-কৃষ্টি কেন্দ্ৰৰ অধ্যাপক তথা আয়োজক সমিতিৰ সম্পাদক মোহন তামুলী, ভাৰপ্ৰাপ্ত সম্পাদক চন্দন ফুকনকে ধৰি ভালেকেইজন গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। আনহাতে, ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত ডিব্ৰুগড় সত্ৰীয়া সংগীত বিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত ৰাসলীলা মহোৎসৱত উদ্বোধক হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক ড° গোপাল হাজৰিকা। উদ্বোধনী ভাষণত ড° হাজৰিকাই বৰ্তমান সময়ত ভক্তিৰসৰ প্ৰাসংগিকতা আৰু নতুন প্ৰজন্মৰ মাজত আধ্যাত্মিকতাৰ প্ৰবৃত্তি জাগ্ৰত কৰি তুলিবলৈ ঐশ্বৰিক শক্তি ভগৱান শ্ৰীকৃষ্ণৰ জীৱন ভিত্তিক এনে ৰাসলীলাৰ মহত্ত্ব আছে বুলি উল্লেখ কৰে। বন্তি প্ৰজ্বলক হিচাপে উপস্থিত থাকে বিশিষ্ট শিল্পী ৰাম চাঁচনি, সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈ আৰু কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া। দৰ্শকে ঠাহ খাই থকা প্ৰেক্ষাগৃহত ভাৱৰীয়াসকলে সুন্দৰ ৰাসলীলা প্ৰদৰ্শন কৰি প্ৰায় পাঁচ ঘণ্টা সকলো দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰাখে বুলি উদযাপন সমিতিৰ হৈ প্ৰচাৰ সম্পাদক ভুৱনজ্যোতি বৰুৱাই অৱগত কৰে।

# ...পন হাজৰিকাক স্মৰণ

...ুমডুমা ...ই শাখা ...ই জৰ ...ভূপেন ...ৱস ৫ ...মডুমা ...ঞ্চলিক ...লিওৱা ...ৰা এই

বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ড° ভূপেন হাজৰিকাৰ সংগীতকে ধৰি বিভিন্নধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। উল্লেখযোগ্য যে লেকাই কে চি জাতীয় বিদ্যালয়ৰ উদ্যোগত যোৱা ৫ নৱেম্বৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যু দিৱস আবেলি ৪ বজাত ১৪খন গাঁৱত উদযাপন কৰা হয়। এই উপলক্ষে খনিকৰ গাঁও, খনিকৰ চাহ বাগিচা, লেকাই গাঁও, চেঁচা চাহ বাগিচাৰ ...

তিনিচুকীয়া জিলা সমিতিৰ সাংগঠনিক সম্পাদক অচিন্ত্য মেধি, ডুমডুমা আঞ্চলিকৰ সভাপতি মানস শৰ্মা, সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ কেন্দ্ৰীয় সভাপতি ধৰণী শহকীয়া, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিকৰ সাধাৰণ সম্পাদক ছত্ৰপতি মৰাণ, ডুমডুমা শাখা সাহিত্য সভাৰ সম্পাদক নিত্যানন্দ দাস, উপ- সভাপতি ...

## গোলাঘাটৰ ...

ভাতৃ শ্যামকানু...

# মুখ্য ... পদৰ পৰা ... ভাস্কৰ...



গুৱাহাটী ... ষ্টাফ ৰিপৰ্টাৰ, ... নৱেম্বৰ ঃ ... হঠাতে ... ৰাজ্যিক ... মুখ্য তথ্য আয়ুক্তৰ ... এবিলে প্ৰাক্তন আৰ... সঞ্চালকপ্ৰধান ৪ পিঠি...

শিচত...